**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-March-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নিৰাপত্তা সন্দৰ্ভত কেবিনেটৰ বৈঠক।

২। ভাৰতত থকা বিদেশী নাগৰিকৰ নিৰাপত্তাৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰামৰ্শাৱলী জাৰি।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি-নীতিৰে দৌল উৎসৱৰ আয়োজন।

৪। আজিৰেপৰা নাগালেণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ বাজেট অধিৱেশন।

*আৰু*

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত ছুপাৰ এইটৰ খেলত ৱেষ্ট ইণ্ডিজক ৫ উইকেটত পৰাস্ত কৰি ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

ইৰান, ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বৰ্ধিত সংঘৰ্ষই সৃষ্টি কৰা গোলকীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি তেওঁৰ বাসগৃহত নিৰাপত্তা সন্দৰ্ভত কেবিনেট সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত যোৱা ২৮ ফেব্ৰুৱাৰীত ইৰানত হোৱা বিমান আক্ৰমণ আৰু প্ৰতিক্ৰিয়া হিচাপে কেইবাখনো দেশত প্ৰত্যাক্ৰমণৰ বিষয়ত আলোচনা কৰা হয়। কেবিনেট সমিতিয়ে এই দেশসমূহত বাস কৰা বহু সংখ্যক ভাৰতীয় লোকৰ সুৰক্ষা আৰু নিৰাপত্তাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সমিতিয়ে লগতে সংঘৰ্ষ জৰ্জৰ অঞ্চলসমূহৰ পৰা ভাৰতীয় পৰ্যটক তথা তাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে ওলাই অহাৰ ক্ষেত্ৰত সন্মুখীন হোৱা অনুসবিধাৰ বিষয়টোও পৰ্যালোচনা কৰে। কেবিনেট সমিতিয়ে সংশ্লিষ্ট সকলো বিভাগকে এই ক্ষেত্ৰত ভাৰতীয় লোকসকলক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, পশ্চিম এছিয়াৰ অস্থিৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ বাবে ভাৰতৰ পৰা ৪ শতাধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰাৰ লগতে সময়সূচী সালসলনি কৰা হৈছে। বিমান সেৱা বাতিল কৰাৰ ফলত ডুবাইকে ধৰি আন কেতবোৰ বিমান বন্দৰত বহু সংখ্যক ভাৰতীয় লোক আবদ্ধ হৈ পৰাৰ বাতৰি পোৱা গৈছে।

ইপিনে, ইৰানৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ বিমান আক্ৰমণ অব্যাহত আছে। ইজৰাইল প্ৰতিৰক্ষা বাহিনী, আই ডি এফে তেওঁলোকে তেহৰানৰ আকাশমাৰ্গত আধিপত্য লাভ কৰা বুলি প্ৰকাশ কৰিছে। ইৰানেও ইজৰাইলৰ ওপৰত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোণেৰে প্ৰত্যাক্ৰমণ চলোৱাৰ লগতে পশ্চিম এছিয়া তথা চৌদি আৰৱ আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত থকা আমেৰিকাৰ সামৰিক ঘাটিত প্ৰত্যাক্ৰমণ চলায়। আমেৰিকাৰ নৌসেনাৰ বিমান পৰিবাহী জাহাজ ইউ এছ এছ আব্ৰাহাম লিংকনত ইৰানে কালি চাৰিটা বেলিষ্টিক ক্ষেপণাস্ত্ৰৰে আক্ৰমণ কৰে বুলি ইৰান ইছলামিক ৰিভ'লিউচনেৰী গাৰ্ডছ

কৰ্পে এটা বিবৃতিত প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ ৯ খন নৌসেনাৰ জাহাজ ধ্বংস কৰিছে বুলি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে।

oooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে ভাৰতত থকা বিদেশী নাগৰিকসকলৰ নিৰাপত্তাৰ বাবে কেতবোৰ পৰামৰ্শাৱলী জাৰি কৰিছে। এই অনুসৰি তেওঁলোকক ভিছা সম্প্ৰসাৰণকে ধৰি অন্যান্য সহযোগিতাৰ বাবে নিকটৱৰ্তী বিদেশী আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। সংঘৰ্ষজৰ্জৰ দেশকেইখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ বাবে ভাৰতে পৃথক যাত্ৰা আৰু নিৰাপত্তা পৰামৰ্শাৱলী জাৰি কৰিছে। এই দেশসমূহত থকা ভাৰতীয় দূতাবাসে প্ৰবাসী ভাৰতীয়সকলক প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ আৰু শেহতীয়া ঘটনাক্ৰমৰ বিষয়ে অৱগত হোৱাৰ বাতৰি চাই থাকিবলৈ অনুৰোধ জনাইছে। ভাৰতীয় লোকসকলৰ সুবিধাৰ্থে হেল্পলাইন নম্বৰো মুকলি কৰা হৈছে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰঙৰ উৎসৱ ফাকুৱা আজিৰেপৰা  অনুষ্ঠিত হৈছে। এই উপলক্ষে সত্ৰ দৌলসমূহত পুৱাৰেপৰা পৰম্পৰাগত আৰু ধৰ্মীয় ৰীতি-নীতিৰে দৌল উৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে। ঐতিহ্যমণ্ডিত **বৰপেটা** সত্ৰৰ লগতে জিলাখনৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। সত্ৰনগৰী বৰপেটাত আজিৰেপৰা ৫ দিনীয়াকৈ দৌল মহোৎসৱ উদযাপন কৰা হ'ব। আজি সন্ধিয়া গোন্ধযাত্ৰাৰে আৰম্ভ হ'বলগীয়া এই উৎসৱৰ কাইলৈৰ পৰা তিনিদিন ভৰদৌল অনুষ্ঠিত হ'ব। বৰপেটাবাসীৰ প্ৰাণৰ উৎসৱ তথা জনজীৱনৰ আয়ুসৰেখাস্বৰূপ দৌল মহোৎসৱ উপলক্ষে আজি বৰপেটাৰ আকাশ-বতাহ হোলী গীতৰ সুৰেৰে মুখৰ হৈ পৰিছে। দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি কালি বৰপেটা সাংস্কৃতিক মঞ্চই বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিয়ায়। জিলাখনৰ ৰাখাল থানৰ চৌহদৰ পৰা এই শোভাযাত্ৰা উলিওৱা হয়। বৰপেটা সত্ৰ বুঢ়া সত্ৰীয়া ডঃ বাবুল চন্দ্ৰ দাসে শোভাযাত্ৰা মুকলি কৰে। শোভাযাত্ৰাৰ পূৰ্বে জিলাখনৰ তিনিগৰাকী লোকক কেইবাটাও বঁটা প্ৰদান কৰা হয়। ইয়াৰে বৰ্ণিল বসন্ত সত্ৰ সৌৰভ বঁটা সত্ৰীয়া শিল্পী বিজয় বায়নক, বৰ্ণিল বসন্ত সংস্কৃতি সাধক বঁটা শিল্পী নকুল দাসক আৰু বৰ্ণিল বসন্ত হোলী প্ৰাণ বঁটা প্ৰদান কৰা হয়। একেদৰে সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসীৰ শংকৰদেৱ থান সত্ৰতো আজিৰেপৰা দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। একেদৰে বৰপেটা ৰোডৰ শাখা সত্ৰ আৰু সৰভোগৰ শ্ৰীশ্ৰীগৰখীয়া গোসাঁইথানতো দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান **বটদ্ৰৱা** থানত আজিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে দৌল যাত্ৰা উপলক্ষে ১০ লক্ষাধিক তীৰ্থযাত্ৰীক আদৰণি জনোৱাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি প্ৰথম দিনা গন্ধোৎসৱৰ সন্ধিয়া শ্ৰীকৃষ্ণ গোসাঁইক গায়ন-বায়ন আৰু ভক্তিপ্ৰাণ ৰাইজে থানৰ ৰভাতলত স্থাপন কৰিব। কাইলৈ গোসাঁইৰ শিৰত ফাকু দিয়া উৎসৱ, পৰহিলৈ গোসাঁই ফুৰুৱা উৎসৱৰ লগতে প্ৰতিদিনে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি দৌল পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে। নগাঁৱৰ শ্ৰীশ্ৰী দক্ষিণপাট কছাৰীসত্ৰতো আজিৰেপৰা তিনিদিনীয়াকৈ ফল্লগুৎসৱ অনুষ্ঠিত হৈছে। ফুলগুৰিৰ শ্ৰীশ্ৰী চেংলাই সত্ৰতো আজিৰেপৰা তিনিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত হৈছে।

কোচবিহাৰৰ **মধুপুৰ** সত্ৰতো আজিৰেপৰা দৌল উৎসৱ অনুষ্ঠিত হৈছে।

মাজুলীৰ ঐতিহ্যমণ্ডিত বেঙেনাআটি সত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে আজিৰেপৰা ফল্লগুৎসৱৰ আয়োজন কৰা হৈছে।

**কামৰূপ** জিলা শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি হোলী গীত প্ৰতিযোগিতা আৰু বাঁহ বগোৱা, বাঁহ ভঙা, টেকেলী ভঙা আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

**উত্তৰ গুৱাহাটীৰ** শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱাৰেপৰা দৌল গোবিন্দ মন্দিৰ প্ৰাংগণত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। মন্দিৰৰ দৌল উৎসৱ সন্দৰ্ভত আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক দাসে এইদৰে জনাইছে –

বাইট

**লখিমপুৰৰ** শ্ৰীশ্ৰী বাসুদেৱ থানা নৰোৱা সত্ৰত আজিৰেপৰা তিনিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত হৈছে। তিনিদিনীয়া এই উৎসৱৰ সময়ছোৱাত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ লগতে দুখন ভাওনা প্ৰদৰ্শন কৰা হ'ব।

**গোৱালপাৰা** জিলাৰ ৰংজুলিৰ শ্ৰীশ্ৰী ৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰেপৰা পাঁচদিনীয়াকৈ ফল্গুৎসৱ পালন কৰা হৈছে। গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী চামৰাই সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেওলিয়াহাটী সত্ৰতো চাৰিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত কৰা হৈছে।

বজালী জিলাৰ ইতিহাস প্ৰসিদ্ধ গোবিন্দপুৰ সত্ৰ প্ৰাংগণতো ভিন ভিন কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উপলক্ষে নাম প্ৰসংগ, মেষদাহ, দৌল পূজা, দৌল গোবিন্দৰ পূজা অৰ্চনা আৰু সুঁৱেৰি উৎসৱৰ আয়োজন কৰা হৈছে।

oooooo

নাগালেণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ বাজেট অধিৱেশন আজি আৰম্ভ হ'ব। ১২ মাৰ্চলৈ চলিবলগীয়া এই বাজেট অধিৱেশনত পাঁচখন বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰ, ৰাজ্য আৰু ইষ্টাৰ্ন নাগালেণ্ড পিপলছ অৰ্গেনাইজেছনৰ মাজত নাগালেণ্ড সীমান্ত আঞ্চলিক প্ৰাধীকৰণ সন্দৰ্ভত ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। তদুপৰি নেচনেলিষ্ট ডেম'ক্ৰেটিক প্ৰ'গ্ৰেছিভ পাৰ্টী আৰু নাগা পিপলছ ফ্ৰণ্ট গঠনৰ পাছত এয়া হ'ব ৰাজ্যখনৰ প্ৰথমখন বাজেট অধিৱেশন। বাজেট অধিৱেশনৰ আজি প্ৰথম দিনা নাগালেণ্ডৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই সদনত ভাষণ দিব। অধিৱেশনৰ দ্বিতীয় পৰ্যায়ত ৰাজ্যখনৰ মুখ্য মন্ত্ৰী নেইফিউ ৰিঅ'ই ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰিব।

oooooo

শাসকীয় বিজেপিয়ে ৰাজ্যত আৰম্ভ কৰা জন আশীৰ্বাদ যাত্ৰাৰ আজি তৃতীয়দিনা গহপুৰ, বিহপুৰীয়া, ৰঙানদী আৰু নাওবৈচাক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে কালি জাগীৰোডৰ পৰা আৰম্ভ হোৱা দ্বিতীয়দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই অংশগ্ৰহণ কৰে। জাগীৰোডত বৃহৎ সংখ্যক লোকৰ অংশগ্ৰহণেৰে ভিন ভিন জাতি জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য-গীতেৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। জাগীৰোডৰ পৰা মুখ্যমন্ত্ৰীগৰাকী বৃহৎ মটৰ চাইকেল সমদলেৰে মৰিগাঁৱৰ দিশে অগ্ৰসৰ হয়। বাৰপূজীয়া, ৰহা, নগাঁও আৰু পুৰণিগুদামত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বঢ়মপুৰত জন আশীৰ্বাদ যাত্ৰাৰ কালিৰ দিনটোৰ কাৰ্যসূচীৰ অন্ত পেলায়।

ইপিনে, অসম প্ৰদেশ কংগ্ৰেছেও নাহৰকটীয়াত কালি সময় পৰিৱৰ্তন যাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ, বিধায়ক দেৱব্ৰত শইকীয়াৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ কংগ্ৰেছী নেতাই অংশগ্ৰহণ কৰে।

০০০০০০

গোলাঘাট জিলাৰ কঁহৰাত কাইলৈ কাজিৰঙা অৰ্কিড উদ্যান মুকলি কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত ৯০০ বিধতকৈও অধিক দেশী-বিদেশী প্ৰজাতিক অৰ্কিড সংৰক্ষণ কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনৰ ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ৫ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰণ কৰি দিয়া ১৯৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে ১৯ অভাৰ ২টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। সঞ্জু ছেমচনে ৫০টা বলত ৯৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৱেষ্ট ইণ্ডিজ জেছন হ'ল্ডাৰ আৰু শ্বমাৰ জ'ছেফে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৯৫ ৰান সংগ্ৰহ কৰে। জছপ্ৰীত বুমৰাই দুটা উইকেট লাভ কৰাৰ লগতে হাৰ্দিক পাণ্ডিয়া আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট দখল কৰে। সঞ্জু ছেমচনক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত অহা বৃহস্পতিবাৰে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে কলকাতাৰ ইডেন গাৰ্ডেনছত অহা বুধবাৰে প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড মুখামুখি হ'ব। ছেমি ফাইনেলত বিজয়ী দল দুটা ৮ মাৰ্চত আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০

NPR/RNU (02-03-2026) MRN.

আমেৰিকা আৰু ইজৰাইলৰ সমন্বিত আক্ৰমণত ইৰাণৰ সৰ্বোচ্চ ধৰ্মীয় নেতা আয়াতুল্লা আলী খামেনীৰ মৃত্যু, ডুবাই, আবুধাবিসহ ৯ খন দেশৰ জনবসতি থকা অঞ্চলত ইৰাণৰ মিছাইল আক্ৰমণ, অভাৱনীয় পতনৰ দিশে শ্বেয়াৰ বজাৰ আদি বাতৰি আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চাহ জনগোষ্ঠীৰ ভুৱা প্ৰমাণপত্ৰৰে এম বি বি এছত বহিৰাগত প্ৰাৰ্থীৰ নাম ভৰ্তি সন্দৰ্ভত **অসমীয়া প্ৰতিদিন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত চলিত মাহত স্বাভাৱিকতকৈ কম বৰষুণ হ'ব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা বতৰৰ আগলি বতৰা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

মধ্যপ্ৰাচ্যত চলি থকা সংঘৰ্ষৰ ফলত হাজাৰ হাজাৰ বিমান বাতিল কৰা হৈছে। এই বাতৰি **আমাৰ অসম** কাকতৰ।

**দৈনিক অসম** কাকতে যুদ্ধই অস্থিৰ কৰি তোলা মধ্যপ্ৰাচ্যত আৱদ্ধ হৈ পৰা হাজাৰ হাজাৰ ভাৰতীয় শিক্ষাৰ্থীৰ ভৱিষ্যতৰ অনিশ্চয়তাক লৈ বাতৰি প্ৰকাশ কৰিছে।

যুদ্ধৰ পৰিপ্ৰেক্ষিতত অসমৰ চাহ উদ্যোগত যথেষ্ট বিৰূপ প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে। কিয়নো, ইৰাণ আৰু মধ্যপ্ৰাচ্যৰ দেশসমূহলৈ অসমৰ অৰ্থ'ডক্স চাহ বৃহৎ পৰিমাণত ৰপ্তানী কৰা হৈছে। এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ।

**দৈনিক জনমভূমি** কাকতত কালি নলবাৰী জিলাৰ মুকালমুৱা থানাৰ সমীপত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত আঠজনকৈ লোকৰ করুণ মৃত্যুৰ বাতৰি প্ৰকাশ পাইছে।

যুদ্ধৰ পৰিপ্ৰেক্ষিতত কালি নিশা নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ নিৰাপত্তা সমিতিৰ জৰুৰী বৈঠক অনুষ্ঠিত হৈছে। এই বাতৰি **অসমীয়া খবৰ** কাকতৰ।

চীনে আমেৰিকা আৰু ইজৰাইললৈ আন্তৰ্জাতিক আইন উলংঘা কৰি নিৰ্লজ আগ্ৰাসন কৰা বুলি অভিযোগ উত্থাপন কৰিছে। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে দিনৰ ভাগত জোৰেৰে বতাহ বলাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে ধুমুহা-গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**